# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিংকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকে। বিশ্ববিদ্যালখনৰ স্থাপনৰ সমগ্ৰ পৰিকল্পনাক প্ৰশংসা কৰি বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**বাইট (বিত্তমন্ত্ৰী সীতাৰমণ)**

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

০০০০০

লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ডিব্ৰুগড়ত আজি জিলাভিত্তিত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জয়ন্তীৰ সৈতে সংগতি ৰাখি এটা পদযাত্ৰা কাৰ্যসূচী উলিওৱা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে দেশক স্বাধীন কৰাৰ ক্ষেত্ৰত যিসকলে বলিষ্ঠ পদক্ষেপ লৈছিল আৰু ভাৰতবাসীৰ মনত একতা আৰু অখণ্ডতাৰ অনুভৱ জগাই তুলিছিল সেইসকলৰ ভিতৰত চৰ্দাৰ বল্লভভাই পেটেল অন্যতম।

০০০০০

অসমীয়া ভাষাত মণ্টেশ্বৰী শিক্ষাৰ বাটকটীয়া যোৰহাটৰ বাল্য ভৱন হাইস্কুলৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আজিৰে পৰা ৩ দিনীয়াকৈ অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলনেৰে এই সমাৰোহ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে বাৰেৰহনীয়া শোভাযাত্ৰা আৰু চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীয়ে মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিত প্ৰজ্ঞাতীৰ্থ শীৰ্ষক স্মৃতি গ্ৰন্থ উন্মোচন কৰে। এই অনুষ্ঠানতে বিদ্যালয়খনৰ বিভিন্ন ছাত্ৰ গোট প্ৰকাশ কৰা হাতে লিখা আলোচনীসমূহো উন্মোচন কৰা হয়। উন্মোচনী ভাষণত সাহিত্যিকগৰাকীয়ে অসমীয়া ভাষা ৰক্ষা আৰু চৰ্চাৰ ক্ষেত্ৰত বাল্য ভৱনৰ নৱ প্ৰজন্মই ছখনকৈ হাতে লিখা আলোচনী নিয়মীয়াকৈ প্ৰকাশৰ দৰে পদক্ষেপ লৈ অহৰহ চেষ্টা চলাই আহিছে। তেওঁ লগতে এনে পদক্ষেপে ধ্ৰুপদী ভাষাটোৰ ক্ষেত্ৰত আহি পৰা সংকটৰ সংশয়ৰো অৱসান ঘটাব বুলি আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰকাশন

গোষ্ঠীৰ সহযোগত ১৯৯৮ চনত ছাত্ৰ সমাজে প্ৰকাশ কৰি উলিওৱা এ হিষ্টৰি অৱ দ্যা আচাম কোম্পানী, ১৮৩৯ - ১৯৫৩ শীৰ্ষক এখন  গৱেষণা গ্ৰন্থ উন্মোচন কৰা হয়।

০০০০০

টাই আহোম বংশৰ শিপাৰ সন্ধানত ম্যানমাৰৰ পৰা অসমলৈ অহা পৰ্যটকৰ এটা দলে আজি চৰাইদেউ জিলাৰ ঐতিহাসিক মৈদাম পৰিদৰ্শন কৰে। ৫ জনীয়া এই দলটো মৈদামৰ ঐতিহ্য আৰু নিৰ্মাণশৈলী দেখি অভিভূত হৈ পৰে। এওঁলোকে আহোম ৰাজবংশৰ পৰিয়ালৰ সদস্যৰ সৈতে মত বিনিময় কৰি টাই আহোম সংস্কৃতি আৰু ইতিহাসৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। দলটোৱে আহোম যুগৰ ঐতিহাসিক স্থানসমূহো পৰিদৰ্শন কৰে। পৰৱৰ্তী সময়ত তেওঁলোকে শিৱসাগৰ জিলাৰ বিভিন্ন কীৰ্তিস্তম্ভ দৰ্শন কৰাৰ লগতে ডিব্ৰুগড়, হাবুং আদি অঞ্চল ভ্ৰমণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ডিব্ৰুগড়ৰ টিংখাং চাহ বাগিচাত আজি এখন প্ৰাথমিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী বিমল বৰাই এই বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি কয়, যে এই উদ্যোগে চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালৰ সন্তানসকলৰ শৈক্ষিক উন্নয়ন সম্ভৱ কৰি তুলিব। ইয়াৰ ফলত তেওঁলোকৰ বাবে এটা সুৰক্ষিত, সুৰুচিপূৰ্ণ পৰিৱেশ গঢ় লৈ উঠিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

ডিমা হাচাও জিলাৰ হাৰাঙ্গাজাওৰ বৌলচল জলপ্ৰপাতত আজি শিলচৰ এন আই টিৰ অভিযান্ত্ৰিক বিভাগৰ প্ৰথম বৰ্ষৰ দুগৰাকী ছাত্ৰী আৰু এজন ছাত্ৰ গা ধুবলৈ যোৱাৰ সময়ত সন্ধানহীন হয়। এন ডি আৰ এফে তিনিওগৰাকী ছাত্ৰ-ছাত্ৰীৰ সন্ধানত উদ্ধাৰ অভিযান চলাই আছে। ছাত্ৰ-ছাত্ৰীগৰাকী উত্তৰ প্ৰদেশ আৰু বিহাৰৰ সৌহাৰ্দ ৰায়, সৰ্বকৃতিকা আৰু ৰাধিকা বুলি জানিব পৰা গৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ছাত্ৰ-ছাত্ৰীকেইগৰাকী আজি জলপ্ৰপাতটোলৈ ফুৰিবলৈ যোৱাৰ সময়তে এই অঘটন ঘটে। এই  বাতৰি যুগুতোৱাৰ পৰলৈকে ছাত্ৰ-ছাত্ৰীকেইজনৰ সন্ধান লাভ কৰিব পৰা হোৱা নাই।

০০০০০

ধেমাজী জিলাৰ জোনাইৰ ৰাজাখানাত আজি পুৱা ৰেলৰ খুন্দাত এজন লোকৰ মৃত্যু হয়। ৰাজাখানা ৰেল দলঙৰ সমীপত ৰঙিয়া অভিমুখী নামনিমুৱা ৰেলখনে মহতীয়াই নিয়া লোকজন জোনাইৰ এক নম্বৰ ৰাজাখানাৰ ৬০ বছৰীয়া তিলক ছেত্ৰী বুলি চিনাক্ত কৰা হৈছে। পৰিয়ালৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে লোকজন প্ৰাতঃভ্ৰমণৰ বাবে ওলাই আহিছিল। স্থানীয় লোকে ৰেল আৰক্ষীক খবৰ দিয়াত ৰেল আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো মৰনোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে।

০০০০০

সমাপ্ত